# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date :** 03-02-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাক সাক্ষাৎ কৰে। ড° শৰ্মাই ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি অসমত চেমিকনডাক্টৰৰ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাত তেওঁ আগবঢ়োৱা সমৰ্থনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। সমাগত এডভাণ্টেজ আচাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ সময়ছোৱাত শ্ৰীবৈষ্ণৱে ৰাজ্যখনক আন্তৰ্জাতিক পৰ্যায়ত চেমিকনডাক্টৰ খণ্ডৰ এখন উল্লেখযোগ্য ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰিবলগীয়া পৰিকল্পনাসমূহ স্পষ্ট কৰি দিব বুলিও তেওঁ প্ৰকাশ কৰে। এই ক্ষেত্ৰত শ্ৰীবৈষ্ণৱৰ ইতিবাচক মনোভাৱে সম্ভাব্য বিনিয়োগকাৰীসকলৰ মনত অসম সম্পৰ্কে সদভাৱ সৃষ্টি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীকো সাক্ষাৎ কৰি ৰাজ্যখনত চলি থকা ঘাইপথ প্ৰকল্পসমূহৰ বিষয়ে আলোচনা কৰে। ৰাজ্যত বিশ্বমানৰ পথ ব্যৱস্থা গঢ়ি তুলিবলৈ এক লাখ কোটি টকা বিনিয়োগ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। সমাগত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণত শ্ৰীগাডকাৰীয়ে দক্ষিণ পূৱ এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতক সংযযুক্ত কৰাৰ ক্ষেত্ৰত সেঁতু হিচাপে অসমৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰিব বুলিও প্ৰকাশ কৰে।

০০০০

পৰিবহন তথা পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰী যোগেন মহনে আজি চৰাইদেউ জিলাৰ পি এম শ্ৰী ডবা উচ্চ মাধ্যমিক বিদ্যালয়ত  ডিজিটেল সুবিধা থকা এটা পুথিভঁড়াল মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰাৰ বাবে তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰে। আজিৰ অনুষ্ঠানত জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, চলিত বৰ্ষটো ৰাজ্য চৰকাৰে গ্ৰন্থ বিশেষ বৰ্ষ হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লোৱাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে পুথিভঁালৰ উন্নীতকৰণ তথা আধুনিকীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০

মাজুলী জিলাৰ স্বাস্থ্য বিভাগে আজি যক্ষ্মা নিৰ্মুলকৰণ সন্দৰ্ভত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এখন সভাৰ আয়োজন কৰে। এশ দিনীয়া যক্ষ্মা নিৰ্মুলকৰণ অভিযানৰ অংশ হিচাপে এই পদক্ষেপ হাতত লোৱা হয়। সভাখনত জিলা যক্ষ্মা বিষয়া তথা জিলা প্ৰৱন্ধককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। জেংৰাইমুখ মহাবিদ্যালয়ৰ শিক্ষক-শিয়ক্ষিত্ৰী তথা শিক্ষাৰ্থীসকলেও সভাত ভাগ লয়।

০০০০

ৰাজ্যৰ ১০ খন জিলাত কাইলৈ গুণোৎসৱ ২০২৫ ৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। ৰাজ্য চৰকাৰে ইতিমধ্যে দুটা পৰ্যায়ত সফলতাৰে গুণোৎসৱ সম্পন্ন কৰিছে। কাইলৈৰ পৰা অহা ৭ ফেব্ৰুৱাৰীলৈ বিশ্বনাথ, বঙাইগাওঁ, কাচাৰ, দৰং, ডিব্ৰুগড়, ডিমা হাচাও, গোৱালপাৰা, মাজুলী, মৰিগাওঁ আৰু নলবাৰীত গুণোৎসৱ আৰম্ভ হ'ব। তদুপৰি কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে বৈ যোৱা  একাংশ বিদ্যালয়তো গুণোৎসৱ সম্পন্ন হ'ব। এই পৰ্যায়ত ১০ খন জিলাৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ অগ্ৰগতি মূল্যায়ন কৰা হ'ব। এই পৰ্যায়ত ৪ হেজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে অংশ ল'ব।

০০০০

চলিত বৰ্ষৰ পৰা মাজুলীৰ যুগুনীধাৰীত থকা মীন উৎপাদন কেন্দ্ৰত মীন বিভাগৰ সহযোগত জিলাখনত প্ৰয়োজন হোৱা মাছৰ পোনা উৎপাদন কৰা হ'ব। তদুপৰি জিলাখনৰ আগ্ৰহী লোকসকলক মীন পালনৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে মাজুলীত উৎপাদিত মাছৰ পোনা প্ৰয়োজন সাপেক্ষে সমীপৰ জিলাসমূহলৈও প্ৰেৰণ কৰা হ'ব। মাজুলীৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি আয়োজিত **মীন পালনেৰে স্বাৱলম্বিতাৰ দিশে** শীৰ্ষক এখন বিশেষ আলোচনা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলা মীন বিভাগে আয়োজন কৰা এই বৈঠকত উন্নত মানৰ পোনা উৎপাদন তথা প্ৰতিপালন সন্দৰ্ভত মীন পালকসকলৰ সৈতে আলোচনা কৰা হয়। জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাখনত মীন পালনৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা সন্দৰ্ভত বিতংকৈ আলোচনা কৰা হয়।

০০০০

কৃষিমন্ত্ৰী অতুল বৰাই আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনথলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে, যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোনাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত অহা বৃহস্পতিবাৰে ৪ দিনীয়া কাৰ্যসূচীৰে এই অধিবেশন আৰম্ভ হ'ব। মন্ত্ৰীগৰাকীয়ে আদৰণি সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে মত বিনিময় কৰি অধিবেশনৰ সাফল্য কামনা কৰে।

০০০০

অসমৰ মহিলা চাইক্লিষ্ট চয়নিকা গগৈয়ে উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি ৰূপৰ পদক জয় কৰে। চাইক্লিঙৰ ১০ কিলোমিটাৰ স্কেচ ৰেচত আজি খেলুৱৈগৰাকীয়ে ২৫ মিনিট আৰু ১০ দশমিক ২ চেকেণ্ডেৰে দ্বিতীয় স্থানত থাকে। অসমে আজি আৰু ছটা পদক নিশ্চিত কৰিছে। ল'নবলৰ প্ৰথম ৬ টা ইভেণ্টৰ গ্ৰুপ মেচৰ অন্তত অসমে আটাইকেইখন চেমিফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰিছে। প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ যোগ্যতা অৰ্জন কৰা পুৰুষ বক্সাৰ গৌৰৱ মজুমদাৰে ৫১ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ পদক নিশ্চিত কৰাৰ লক্ষ্যৰে অলিম্পিক পদক জয়ী মহিলা বক্সাৰ লাভলীনা বৰগোহাইয়ে ৭৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলিব। নৱাগত বক্সাৰ অভিনৱ শইকীয়াই কাইলৈ পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত কোৱাৰ্টাৰ ফাইনেল খেলিব।

০০০০

সমাপ্ত